# কাজু বাদামৰ নাৰ্চাৰীৰে সফলতা লাভ কৰা কৃষক ব্ৰজবাসী কোঁচ



মোৰ নাম শ্ৰীব্ৰজবাসী কোঁচ। ঘৰ ধুবুৰী জিলাৰ দক্ষিণ শালমাৰা মহকুমাৰ মানকাছাৰ কৃষি চক্ৰৰ মঞ্জৰু গাঁৱত। কাজুখেতিৰ জৰিয়তে আত্মসংস্থাপনৰ মন মেলি মই ১৯৯৮ চনত কৃষি বিভাগৰ ওচৰ চাপো আৰু কৃষি বিভাগে যোগান ধৰা V-4 জাতৰ ২০০ টা পুলি লাভ কৰি অতি যত্নৰে মোৰ বাৰীত ৰোপণ কৰো। ইয়াৰ বাবে প্ৰয়োজন হোৱা কাৰিকৰী পৰামৰ্শ মই স্থানীয় কৃষি উন্নয়ন বিষয়াকে ধৰি বিভিন্ন কৃষি বিষয়াৰ পৰা লাভ কৰো। এই দুশটা কাজু পুলিয়েই যে মোৰ ভৱিষ্যত জীৱনলৈ এক উল্লেখযোগ্য পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব সেই কথা মই তেতিয়া কল্পনাও কৰিব পৰা নাছিলো। কাজু পুলিখিনি ৰোৱাৰ ৩-৪ বছৰ পাছত ফল ধৰিবলৈ আৰম্ভ কৰে আৰু সেই ফল বিক্ৰী কৰি কিছু ধন উপাৰ্জন কৰিবলৈ সক্ষম হওঁ।

২০০৪-০৫ বৰ্ষত মই আমাৰ গাওঁৰ এটা কৃষি গোটৰ সদস্য হওঁ। এই গোটটোৰ জৰিয়তে কৃষি বিভাগৰ পৰা লাভ কৰা প্ৰায় এহেজাৰটা কাজু পুলি মই নিজৰ মাটিত ৰোপণ কৰো। ঠিক এই সময়তে ২০০৬ চনত ভাৰত চৰকাৰৰ অধীনৰ Cashew and Cocoa Development Board ৰ সঞ্চালক ভি.এন. হুবলিয়ে ধুবুৰী জিলাৰ সেই সময়ৰ জিলা কৃষি বিষয়াৰ সৈতে মোৰ কাজুখেতিৰ বাগানখন পৰিদৰ্শন কৰে। আমাৰ অঞ্চলটোত কাজুখেতিয়ে আনিব পৰা অৰ্থনৈতিক পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ মোক এখন কাজুপুলিৰ নাৰ্চাৰী স্থাপন কৰাৰ পৰামৰ্শ দিয়ে আৰু এইক্ষেত্ৰত সম্ভৱপৰ সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। তেখেতৰ পৰামৰ্শমতে মই ২০০৬ চনৰ ১৮ ছেপ্তেম্বৰ তাৰিখে 'অলিভিয়া কেছিউ নাৰ্চাৰী' নামেৰে এখন নাৰ্চাৰী স্থাপন কৰি পঞ্জীয়ন কৰো। মোৰ এই নাৰ্চাৰীখনক Cashew and Cocoa Development Board এ আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰে। সম্প্ৰতি মোৰ নাৰ্চাৰীখনত এহেজাৰ জোপা V-4 জাতৰ কাজুপুলি আৰু ১৫০ জোপা উল্লাল জাতৰ মাতৃ গছ আছে। বৰ্তমান মোৰ নাৰ্চাৰীখনৰ প্ৰায় ২,৩০,০০০ পুলি উৎপাদন আৰু যোগানৰ সামৰ্থ আছে। বিগত বৰ্ষত মই মোৰ নাৰ্চাৰীখনত প্ৰস্তুত কৰা পুলি শিলচৰ, ধুবুৰী, হাফলং, তুৰা আদি বিভিন্ন অঞ্চললৈ যোগান ধৰিছো।






মই ভাবো, উন্নত প্ৰশিক্ষণ লাভ কৰিলে মোৰ নাৰ্চাৰীখনৰ আৰু বিকাশ সাধিবলৈ মই সক্ষম হ'ম। ইতিমধ্যে মই কাজু নাৰ্চাৰী সম্পৰ্কীয় এটি প্ৰশিক্ষণ উৰিষ্যাত লৈছো। মোৰ নাৰ্চাৰীখনৰ জৰিয়তে মই নিজে অৰ্থনৈতিকভাবে স্বচ্ছল হোৱাৰ উপৰিও আমাৰ অঞ্চলটোৰ বহুকেইজন লোকক সৰ্মসংস্থাপনৰ সুবিধা আগবঢ়োৱাত সফল লৈছো।